بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনাৱলীৰ বৰ্ণনাৰ লগতে সম্ভাব্য বিশ্ব যুদ্ধৰ হাত সাৰিবলৈ দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২ ফেব্ৰুৱাৰীত ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধত দিয়া চাহাবা সকলৰ কোৰবাণী আৰু তেওঁলোকৰ ৰছুল প্ৰেমৰ দৃষ্টান্ত মই ইয়াৰ আগতে বৰ্ণনা কৰিছোঁ। তাতে হজৰত আলি (ৰাঃ)ৰ বীৰত্বৰ এটা দৃষ্টান্তমূলক ঘটনাও বৰ্ণনা কৰা হৈছে। যিয়েই নহওঁক বৰ্ণনাত উল্লেখ পোৱা যায় যে উহুদৰ ময়দানত ইবনে কায়মা নামক মুশৰিক জনে হজৰত মুচাআব বিন উমেৰ (ৰাঃ)ক শ্বহীদ কৰি ধাৰণা কৰিছিল যে তেওঁ ৰছুলুল্লাহ (ছাঃ)ক শ্বহীদ কৰিছে আৰু সেই মৰ্মে তেওঁ কুৰাইছ সকলৰ আগত ঘোষণা কৰিছিল যে তেওঁ মহম্মদ (ছাঃ)ক হত্যা কৰিছে।

হজৰত মুচাআব (ৰাঃ) শ্বহীদ হোৱাৰ পিছতেই ৰছুলুল্লাহ (ছাঃ)য়ে ইছলামৰ পতাকা হজৰত আলি (ৰাঃ)ৰ হাতত গতাই দিয়ে। হজৰত আলি (ৰাঃ)য়ে এজনৰ পিছত এজনকৈ কাফিৰৰ নেতাবিলাক বধ কৰি গৈছিল। আঁহজৰত (ছাঃ)ৰ আদেশ মৰ্মে হজৰত আলি (ৰাঃ)য়ে উমৰ বিন আব্দুল্লাহ জমিহি আৰু শ্বইবা বিন মালিক, এই মুশৰিক দুজনক হত্যা কৰিছিল। হজৰত জিব্ৰাইল (আঃ)য়ে হজৰত আলি (ৰাঃ)ৰ বিষয়ে কৈছিল ইয়া ৰছুলুল্লাহ ! নিশ্চয় এয়া প্ৰশংসনীয় বিষয়,তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল হয়, আলি মোৰ মাজত আৰু মই আলিৰ মাজত। এয়া শুনি জিব্ৰাইল (আঃ)য়ে কৈছলি যে তেন্তে মই আপোনালোক দুয়োৰে মাজত আছো। এই কথাখিনি শ্বিয়া সম্প্ৰদায়ৰ লোক সকলে অন্য অৰ্থে বঢ়াই-ছৰাই বৰ্ণনা কৰে।

হজৰত আলি (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে উহুদৰ যুদ্ধত যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ চাৰিওফালৰ পৰা লোক আঁতৰি গৈছিল তেতিয়া মই শ্বহীদ সকলৰ মৃতদেহ বিলাকৰ মাজত ৰছুলুল্লাহ (ছাঃ)ক বিচাৰিছিলো। কিন্তু তাত তেখেত (ছাঃ)ক বিচাৰি পোৱা নাছিলো। তেতিয়া মই কৈছিলো খোদা তা'লাৰ শপত ! ৰছুলুল্লাহ (ছাঃ)

পলাই যোৱা লোক নহয় আৰু না মই তেখেত (ছাঃ)ক শ্বহীদ সকলৰ লাচৰ মাজত পাইছো। নিশ্চয় আল্লাহ তা'লা আমাৰ ওপৰত অসন্তুষ্ট হৈছে আৰু সি তাৰ নবীক উঠাই লৈ গৈছে। গতিকে মোৰ বাবে এয়াই উত্তম হ'ব যে যুঁজি যুঁজি শত্ৰুৰ হাতত নিহত হৈ যাওঁ। হজৰত আলি(ৰাঃ)য়ে কৈছে যে এই কথা ভাৱিয়ে মই নিজৰ তৰোৱালখন উলিয়াই তাৰ খাপ ভাঙি পেলাই দি কাফিৰ সকলৰ ওপৰত জপিয়াই পৰিছিলো। তেতিয়া কাফিৰ বাহিনী ইফালে-সিফালে ছেদেলি-ভেদেলি হৈ পৰে আৰু মই দেখিবলৈ পাওঁ যে ৰছুলুল্লাহ (ছাঃ) সিহঁতৰ মাজত যুঁজ চলাই গৈছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত আলি (ৰাঃ)য়ে উহুদৰ পৰা উভতি আহি হজৰত ফাতিমা (ৰাঃ)ক নিজৰ তৰোৱাল ডাল ধুই দিবলৈ দি কৈছিল যে আজি এই তৰোৱালে বৰ ডাঙৰ কাম কৰিছে। ৰছুলুল্লাহ (ছাঃ)য়ে আলি (ৰাঃ)ৰ এই কথা শুনি কৈছিল হে আলি ! কেৱল তোমাৰ তৰোৱালেই কাম কৰা নাই লগতে তেখেত (ছাঃ)য়ে আৰু ছয় সাতজন চাহাবাৰ নাম মাতি কৈছিল যে এওঁলোকৰ তৰোৱালেও চাকচিক্য আৰু নৈপুণ্যতা প্ৰদৰ্শন কৰিছে।

হজৰত মির্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবীঈন পুস্তকত হজৰত আবু তালহা আনছাৰী (ৰাঃ)ৰ বিষয়ে লিখিছে যে তেখেতে তীৰ চলাই চলাই তিনিটা ধনু ভাঙি পেলাইছিল আৰু শত্ৰুৰ তীৰৰ আগত নিজৰ বুকু ডাঠ কৰি আঁহজৰত (ছাঃ)ক নিজৰ ঢালেৰে আঁৰ কৰি ৰাখিছিল।

হজৰত ছাআদ বিন উকাচ (ৰাঃ)ক আঁহজৰত (ছাঃ)য়ে নিজে তীৰ আগবঢ়াই দিছিল আৰু ছাআদে সেয়া শত্ৰুৰ ওপৰত ধাৰাসাৰে বৰ্ষণ কৰি গৈছিল। এবাৰ আঁহজৰত (ছাঃ)য়ে হজৰত ছাআদ (ৰাঃ)ক কৈছিল তোমাৰ ওপৰত মোৰ পিতৃ-মাতৃ উচ্ছৰ্গিত হওঁক তুমি অবিৰাম তীৰ চলাই যোৱা। হজৰত ছাআদ (ৰাঃ)য়ে নিজৰ শেষ বয়সলৈকে এই কথা বৰ গৌৰৱেৰে সৈতে বৰ্ণনা কৰিছিল।

হজৰত আবু দাজানা (ৰাঃ)য়ে বহু সময়লৈকে আঁহজৰত (ছাঃ)ৰ শৰীৰক নিজৰ শৰীৰেৰে আঁৰ কৰি ৰাখিছিল আৰু শত্ৰু সকলে নিক্ষেপ কৰা তীৰ বিলাক নিজৰ শৰীৰেৰে বাধা দিছিল। যাৰ ফলত দাজানা (ৰাঃ)ৰ শৰীৰ তীৰৰ আঘাতত ক্ষত-বিক্ষত হৈ গৈছিল।

ইয়াৰ পিছত আছে হজৰত ছুহেল বিন হানিফ (ৰাঃ)। এখেতেও মহান মৰ্যদা সম্পন্ন চাহাবা সকলৰ মাজত এজন আছিল। এখেত (ৰাঃ)য়েও উহুদৰ দিনা বীৰত্ব প্ৰদৰ্শন কৰিছিল। সেই দিনা এখেত (ৰাঃ)য়ে মৰণত শৰণ লৈ আঁহজৰত (ছাঃ)ৰ বয়াত কৰিছিল। তুমুল আক্ৰমণৰ সময়ত ছুহেল (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ আগত এটা ঢাল হিচাপে প্ৰতিষ্ঠিত আছিল।

ইয়াৰ পিছত হজৰত উম্মে আম্মাৰা (ৰাঃ)ৰ বিষয়ে উল্লেখ পোৱা যায় যিয়ে যুদ্ধত অদম্য সাহসৰ পৰিচয় দিছিল। আঁহজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ৰ বিষয়ে কৈছে যে উহুদৰ দিনা মই মোৰ সোঁফালে বাওঁফালে যি ফালেই চাইছিলো দেখিছিলো তেখেতে মোৰ হিফাজতৰ বাবে শত্ৰুৰ সৈতে যুঁজি গৈছে।

উহুদৰ যুদ্ধৰ সময়ত আবু ছুফিয়ানৰ সৈতে কথা বতৰা হোৱা সম্পৰ্কে বৰ্ণনা পোৱা যায় আৰু কুৰাইছ বাহিনী কিদৰে ওভতি গৈছিল তাৰও বিৱৰণ পোৱা যায়।

হজৰত মুচলেহ মাওউদৰ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)য়ে আহত হৈ অচেতন হৈ পৰাৰ আৰু তাৰ পিছৰ ঘটনা সমুহ বৰ্ণনা কৰোঁতে কৈছে যে কিছু সময় পিছত আঁহজৰত (ছাঃ)য়ে সম্ভেদ ঘুৰাই পায় আৰু চাহাবা সকলে দৌৰি দৌৰি চাৰিওফালৰ মুছলমান সকলক মাতি আনি এক গোট কৰিছিল। তাৰ পিছত আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক লৈ পাহাৰৰ কাষলৈ গুচি যায়। যেতিয়া মুছলমান সকলে পাহাৰৰ দাঁতিত গৈ থিয় দিছিল তেতিয়া আবু ছুফিয়ানে উচ্চস্বৰে ঘোষণা কৰিছিল যে সিহঁতে মহম্মদ (ছাঃ)ক নিহত কৰিছে। ৰছুলুল্লাহ (ছাঃ)য়ে আবু ছুফিয়ানৰ সেই কথাৰ কোনো উত্তৰ দিয়া নাছিল। ইছলামী সৈন্য বাহিনীৰ ফালৰ

পৰা আবু ছুফিয়ানৰ কথাৰ কোনো উত্তৰ নোপোৱাত মুশৰিক সকলৰ বিশ্বাস উপজিছিল যে তেওঁলোকৰ ধাৰণা সত্য, এয়া ভাৱি আবু ছুফিয়ানে আৰু কৈছিল যে আমি আবু বক্কৰ (ৰাঃ) আৰু উমৰ (ৰাঃ) কও মাৰি পেলাইছো। এই বিলাক কথাৰ কোনো প্ৰত্যুত্তৰ নাপাই কাফিৰ সকলে ধাৰণা কৰি লৈছিল যে তেওঁলোকে বাণীয়ে ইছলাম আৰু তাৰ সোঁৱে বাওঁৱে থকা বাহু দুডাল মাৰি পেলাইছে। এই ধাৰণাত আবু ছুফিয়ান আৰু তাৰ লগৰীয়া সকলে উৎফুল্লিত হৈ ধ্বনি দিছিল যে আমাৰ মহান ভূত হুবলৰ মৰ্যদা উন্নীত হওঁক হুবলৰ জয়, সি আজি ইছলামৰ অন্ত পেলাই দিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে সেইজন ৰছুল (ছাঃ) যিজনে নিজৰ মৃত্যুৰ ঘোষণাত আবু বক্কৰ আৰু উমৰৰ মৃত্যুৰ ঘোষণাত সকলোকে মনে মনে থাকিবলৈ নিৰ্দেশ দিছিল কাৰণ যাতে এনেকুৱা অৱস্থা নহয় যে আহত মুছলমান সকলৰ ওপৰত আকৌ কাফিৰ সকলে আক্ৰমণ কৰে আৰু এমুঠি আহত মুছলমান সিহঁতৰ হাতত শ্বহীদ হৈ যায়। কিন্তু যেতিয়া তেওঁলোকে খোদায়ে ওৱাহিদৰ সন্মানত আঘাত হানে আৰু শিৰিকৰ ধ্বনি ময়দানত উচ্চাৰিত কৰে তেতিয়া তেখেত (ছাঃ)ৰ আত্মা ব্যাকুল হৈ পৰে আৰু তেখেত (ছাঃ)য়ে চৰম ব্যগ্ৰতাৰে চাহাবা সকলক লক্ষ্য কৰি কয় যে তোমালোকে এই কথা বিলাকৰ প্ৰত্যুত্তৰ কিয় কৰা নাই ? তেতিয়া চাহাবা সকলে কৈছিল ইয়া ৰছুলুল্লাহ ! আমি কি ক'ম ? ৰছুলুল্লাহ (ছাঃ)য়ে শিকাই দিছিল- উচ্চস্বৰে কোৱা; তোমালোকে এয়া মিছা মাতিছা যে হুবলৰ জয় হৈছে। এয়া তোমালোকৰ মিছা কথা। আল্লাহ ওৱাহেদ লাশাৰিকেই মৰ্যদা সম্পন্ন আৰু তাৰে প্ৰতাপ সৰ্বোচ্চ। এনেদৰে আঁহজৰত (ছাঃ)য়ে তেখেত জীৱিত থকাৰ খবৰ শত্ৰু সকললৈ পৌছাই দিছিল। এই বীৰত্বপূৰ্ণ উত্তৰৰ প্ৰভাৱ কাফিৰ বাহিনীৰ ওপৰত গভীৰ ভাৱে পৰে আৰু তেওঁলোকৰ সকলো উদ্যম নিস্তজ হৈ মনৰ আশা ধূলিসাৎ হৈ যায়। ইয়াৰ ওপৰি সিহঁতৰ সন্মুখত থিয় হৈ থকা কেইজন মান আহত মুছলমানৰ ওপৰত আক্ৰমণ কৰিবলৈও সাহস হেৰাই পেলায়, য'ত তেওঁলোকে মুছলমান কেইজনৰ ওপৰত আক্ৰমণ চলাই মাৰি পেলোৱাটো একো অসম্ভৱ নাছিল। অৱশেষত যিখিনি জয় তেওঁলোকে সাব্যস্ত কৰিছিল সেয়াই লগত লৈ মক্কালৈ ওভতি যায়। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বিভিন্ন দিশেৰে এই ঘটনা বিলাক বিভিন্ন ঠাইত বৰ্ণনা কৰিছে। সেই বিলাক ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেনেকৈ মই দোৱা কৰিবলৈ সকলোকে আহ্বান জনাই থাকো, তেনেকৈ সকলোৱে পেলেষ্টাইনৰ সাধাৰণ পৰিস্থিতিৰ বাবে দোৱা কৰিব। শুনি আছো যে গাজাত যুদ্ধ ৰহিত কৰাৰ চেষ্টা চলি আছে। সম্ভৱত ইজৰাইল চৰকাৰে এই সিদ্ধান্ত মালি ল'ব, কিন্তু লেবাননৰ সীমান্তত যুদ্ধ সংঘটিত হোৱাৰ সম্ভাৱনা দ্ৰুত বাঢ়ি গৈ আছে আৰু ইয়াৰ প্ৰভাৱ পূৰ পেলেষ্টাইনত গভীৰ ভাৱে পৰিব। পশ্চিমীয়া দেশবোৰৰ চৰকাৰ বিলাক ন্যায় অৱলম্বন কৰা নাই। এতিয়া সিহঁতৰেই লেখক সকলে মুকলি ভাৱে লিখি আছে যে অত্যাচাৰে চৰম সীমা পাইছে গৈ। আমেৰিকান নেতা সকলে নিজৰ অৰ্থনৈতিক উন্নতি কল্পে যুদ্ধ বিস্তাৰত উদ্দগনি যোগাই আছে যাৰ ফলত সিহঁতৰ আমদানি দিনক দিনে বাঢ়ি আছে কাৰণ সিহঁতৰ অস্ত্ৰ-শস্ত্ৰৰ কাৰখানাও লাভাংকৰ পৰিমাণ বাঢ়ি গৈ আছে। এতিয়া আমেৰিকাৰ অৰ্থনীতিবিদ সকলেই সমীক্ষা দি আছে যে আমেৰিকাই নিজৰ অৰ্থ ভাণ্ডাৰ টনকীয়াল কৰিবলৈ এই যুদ্ধ দীঘলীয়া কৰাৰ প্ৰচেষ্টা চলাই আছে আৰু বিশ্বজুৰি বিবাদৰ সুচনা কৰি আছে। এওঁলোকে এয়া নেজানে যে খোদা তা'লাৰ কঠোৰ হাত এওঁলোকে সাৰি যাব নোৱাৰে। যিয়েই নহওঁক আহমদী সকলে দোৱা আৰু সু সম্পৰ্কৰ জৰিয়তে এই ধ্বংসলীলাৰ সাত সাৰিবলৈ নিজৰ দায়িত্ব পালন কৰিব লাগিব। যোৱা কিছুদিন ধৰি খবৰ প্ৰচাৰ হৈ আছে যে UNO ৰ যিবিলাক সহায়কাৰী এজেঞ্চী আছে, সেই বিলাকক আমেৰিকাৰ আৰু বৃটেইনে আৰ্থিক সাহায্য দিয়া কৰি দিছে; বৰং দোষাৰোপ কৰি আছে যে এওঁলোকৰ এঘাৰ, বাৰজন লোক হামাছৰ সৈতে জড়িত

আছে গতিকে পেলেষ্টাইনক কোনো ধৰণৰ সহায় কৰা নহয়। এনেকুৰা কৰাৰ উদ্দেশ্য হ'ল তেওঁলোকক সমস্যাত ডুবাই ৰাখিব লাগে, বেলেগ একো নাই। কিন্তু আচৰিত কথা হ'ল এয়া যে যদি পশ্চিমীয়া দেশবোৰে সহায় কৰিবলৈ এৰি দিছে, তেন্তে তেল সম্পদৰ অধিকাৰী মুছলিম দেশবোৰে কিয় সহায় কৰিবলৈ আগবাঢ়ি অহা নাই। এওঁলোকে গম পাইছে যে UNO এজেঞ্চি বিলাকে ঘোষণা কৰিছে যে যদি তেওঁলোকে সহায় নাপায় তেন্তে ফেব্ৰুৱাৰী মাহৰ পিছত আৰু তেওঁলোকে কোনো ধৰণৰ ৰিলিফ আগবঢ়াব নোৱাৰে। গতিকে পৰিস্থিতি বৰ ধ্বংসজনক হৈ পৰিছে।

যিয়েই নহওঁক আল্লাহ তা'লা মুছলমান আধ্যাসিত দেশ বোৰক নিজৰ দায়িত্ব পালন কৰাৰ তৌফিক দান কৰক আৰু বিশ্বত বিবাদৰ অন্ত পৰক। বৰ্তমানে ইৰাণৰ সৈতে যুদ্ধ কৰাৰ পৰিকল্পনা চলি আছে। তেনেকৈ ইয়ামিনৰ আহমদী সকলৰ বাবেও দোৱা কৰিব। আমাৰ এজন আহমদী ভাই তাতে কাৰাগাৰত থকা অৱস্থাত চিকিৎসাৰ অভাৱত মৃত্যু বৰণ কৰিছে। এইবোৰ খবৰ পোৱা বৰ কঠিন, যিয়েই নহওঁক দোৱা কৰি থাকক যাতে সকলো ধৰণৰ বিপদ-আপদ দূৰীভূত হয়।

পাকিস্তানৰ আহমদী সকলৰ বাবেও দোৱা কৰিব। পাকিস্তানত সদায় ৰাজনৈতিক লাভালাভৰ বাবে আহমদী সকলক টাৰ্গেট কৰা হয় আৰু এনেদৰে বিভিন্ন উগ্ৰবাদী সংগঠন বিলাকৰ ফালৰ পৰাও বিপদ আহি থাকে। জামাতৰ সদস্য সকলৰ বাবে পাকিস্তানত আহমদী নামটো হলেই বিপদ। গতিকে দোৱা কৰিব আল্লাহ তা'লা যেন পাকিস্তানৰ আহমদী সকলক বিপদমুক্ত ৰাখে। চয়তান বিলাকৰ চয়তানী যেন সিহঁতৰ ওপৰতেই ওলটি পৰে। বিশ্ববাসীয়ে যেন আচল সত্যক চিনি পায় আৰু আল্লাহ তা'লাৰ ফালে ওলটি আহে আৰু ইয়াৰ অবিহনে যেন সিহঁতৰ কোনো বাট আৰু নাথাকে। সিহঁতৰ কল্যাণ ইয়াতেই নিহিত আছে যে সিহঁতে যেন আল্লাহ তা'লাক চিনি পাই তাৰ প্ৰদত্ত পুৰুষক মানি লয়। আল্লাহ তা'লা ইয়াৰ বাবে সিহঁতক তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهٗ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 2 FEB 2024**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**